# পানী

## Chapter – 3

## পৰিৱেশ অধ্যয়ন

**১। তোমালোকে জনা কিছুমান পানীৰ উৎসৰ নাম লিখা ।**

**উত্তৰঃ** পানীৰ উৎসসমূহ হ'ল – সাগৰ , মহাসাগৰ , নদী , হ্ৰদ , জান – জুৰি , পুখুৰী , খাল – বিল , নদ – নদী , কুৱা , দমকল ইত্যাদি ।

**২। কৰি চাওঁ আহা –**

**এচপৰা শুকান মাটি লৈ তাত পানী ঢালি দিয়া । কি দেখিলা ?**

**উত্তৰঃ** শুকান মাটি চপৰাত পানী ঢালি দিয়াৰ লগে লগে পানীখিনি মাটিৰ চপৰাটোৰ মাজেৰে সোমাই গ'ল ।

**৩। তোমালোকৰ বহুতেই ঘৰত টেপ খুলিলে পানী পোৱা । এই পানীবোৰৰ উৎস কি ?**

**উত্তৰঃ** এই পানীবোৰৰ উৎস হ'ল – নদী , হ্ৰদ , পুখুৰী , কুঁৱা , দমকল আদি। এই উৎসবোৰত পানী পাম্পৰ সহায়ত উঠাই টেংকিত জমা কৰি থোৱা হয় । আৰু নলীৰ মাজেৰে নি বিভিন্ন কামত ব্যৱহাৰ কৰা হয় ।

**ক্ৰিয়া কলাপ**

**তোমালোকৰ চুবুৰীত তিনিঘৰ মানুহে ব্যৱহাৰ কৰা পানীৰ উৎস জানি লোৱা ।**

**এতিয়া তলৰ তালিকাত কোনঘৰৰ মানুহে কোন উৎসৰ পৰা পায় তাত '      ' চিন দিয়া –**

| ঘৰৰ ক্ৰমিক নং | কুঁৱা | দমকল | পুখুৰী | খাল | বিল | নদী | অন্যান্য |
|---|---|---|---|---|---|---|---|
| ১ | | | | | | | |
| ২ | | | | | | | |
| ৩ | | | | | | | |

**উত্তৰঃ**

| ঘৰৰ ক্ৰমিক নং | কুঁৱা | দমকল | পুখুৰী | খাল | বিল | নদী | অন্যান্য |
|---|---|---|---|---|---|---|---|
| ১ | ✓ | | | | | | |
| ২ | | ✓ | | | | | |
| ৩ | ✓ | | | | | | |

**⇒ চিন্তা কৰি লিখা –**

**প্ৰশ্ন ১। ভূগৰ্ভৰ পানী শুকাই গ'লে আমাৰ কি কি অসুবিধা হ'ব পাৰে ?**

**উত্তৰঃ** ভূগৰ্ভত পানী শুকাই গ'লে আমাৰ বিভিন্ন অসুবিধা হ'ব – কাৰণ পানী অবিহনে কোনো জীৱ – জন্তু , গছ – গছনি জীয়াই থাকিব নোৱাৰে।

( ১ ) খোৱাপানীৰ ব্যৱস্থা নোহোৱা হ'ব ।

( ২ ) মানুহে ৰন্ধা – বঢ়া কৰাৰ বাবে পানী নোপোৱা হ'ব ।

( ৩ ) পানী নোহোৱা মানে খেতি পথাৰ নষ্ট হৈ যাব। গতিকে পানীৰ অবিহনে আমি বহুতো সমস্যাৰ সন্মুখীন হ'ব লাগিব ।

## অনুশীলনী

**১। উত্তৰ লিখা –**

**( ক ) পানীৰ উৎসসমূহ কি কি ?**

**উত্তৰঃ** পানীৰ উৎসসমূহ হ'ল – সাগৰ , মহাসাগৰ , নদী , হ্ৰদ , জান – জুৰি , পুখুৰী , খাল – বিল , নদ – নদী , কুৱা , দমকল ইত্যাদি ।

**( খ ) ভূ – গৰ্ভত পানী নাটনি হ'ব পৰাৰ দুটা কাৰণ উল্লেখ কৰা।**

**উত্তৰঃ** ভূ – গৰ্ভত পানী নাটনি হ'ব পৰা কাৰণ দুটা হ'ল –

( ক ) মানুহে গছ – গছনি কাটি শেষ কৰিলে ।

( খ ) বাৰিষা যদি বৰষুণ কম পৰিমানে হয়।

**( গ ) বতাহত ভাঁহি থকা ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ কণিকাবোৰক কি বুলি কোৱা হয় ?**

**উত্তৰঃ** বতাহত ভাঁহি থকা ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ কণিকাবোৰ হ'ল ডাৱৰ।

**( ঘ ) কুঁৱাৰ পানীৰ উৎস কি ?**

**উত্তৰঃ** কুঁৱাৰ পানীৰ উৎস হ'ল – ভূ – গৰ্ভ ।

**( ঙ ) নৈ , হ্ৰদ , সাগৰ , জান – জুৰিৰ পানীক কিহে ভাপলৈ পৰিৱৰ্তন কৰে ?**

**উত্তৰঃ** সূৰ্যৰ তাপে নৈ , হ্ৰদ , সাগৰ , জান – জুৰিৰ পানীক ভাপলৈ পৰিৱৰ্তন কৰে ।

**২। শুদ্ধ উত্তৰটোত '      ' চিন দিয়া –**

**( ক ) পুখুৰীৰ পানী হৈছে ভূ – পৃষ্ঠৰ / ভূগৰ্ভৰ পানী।**

**উত্তৰঃ** পুখুৰীৰ পানী হৈছে ভূ – পৃষ্ঠৰ পানী ।

**( খ ) বৰষুণৰ পানী মাটিৰে নিগৰি / দমকলেৰে ভূ – গৰ্ভ পায়।**

**উত্তৰঃ** বৰষুণৰ পানী মাটিৰে নিগৰি  – গৰ্ভ পায়।

**( গ ) পকী ঠাইৰে / মাটিৰে পানী সহজে নিগৰি ভূ – গৰ্ভলৈ যাব পাৰে ।**

**উত্তৰঃ** পকী মাটিৰে পানী সহজে নিগৰি ভূ – গৰ্ভলৈ যাব পাৰে ।

**( ঘ ) শিল বৰষুণত শিল / বৰফ থাকে।**

**উত্তৰঃ** শিল বৰষুণত বৰফ থাকে।

**৩। খালী ঠাই পূৰণ কৰা :**

**( ক ) দমকলৰ পানীৰ উৎস হৈছে ___।**

**উত্তৰঃ** দমকলৰ পানীৰ উৎস হৈছে ভূ – গৰ্ভ ।

**( খ ) পৰ্বতৰ শীতল অঞ্চলত পানী ____হিচাপে থাকে।**

**উত্তৰঃ** পৰ্বতৰ শীতল অঞ্চলত পানী বৰফ হিচাপে থাকে ।

**( গ ) সাগৰৰ পানী ____।**

**উত্তৰঃ** সাগৰৰ পানী লুণীয়া ।

**৪। ভূ – গৰ্ভৰ পানীৰ পৰিমাণ একে ৰাখিবলৈ ল’ব পৰা দুটা ব্যৱস্থা উল্লেখ কৰা।**

**উত্তৰঃ** ভূ – গৰ্ভৰ পানীৰ পৰিমাণ একে ৰাখিবলৈ ল’ব পৰা ব্যৱস্থা দুটা হ’ল—

( ১ ) গছ – গছনি ৰোপণ কৰিব লাগে ।

( ২ ) বৰষুণৰ পানী সংৰক্ষণ কৰি ভূ – গৰ্ভলৈ পঠিওৱাৰ ব্যৱস্থা কৰিব লাগে ।

**৫। সাগৰৰ পানী কিয় পোনপটীয়াকৈ ব্যৱহাৰ কৰিব নোৱাৰি ?**

**উত্তৰঃ** সাগৰৰ পানী ভূ – পৃষ্ঠৰ পানী । এই পানী লুণীয়া হোৱাৰ বাবে পোনপটীয়াকৈ ব্যৱহাৰ কৰিব নোৱাৰি ।

**৬। ভূ – গৰ্ভৰ পানী কি কি কামত ব্যৱহাৰ কৰা হয় ?**

**উত্তৰঃ** ভূ – গৰ্ভৰ পানী সকলো কামতে ব্যৱহাৰ কৰা হয় । ঘৰুৱা কামত ব্যৱহাৰ কৰাৰ উপৰিও উদ্যোগ , জলসিঞ্চন আদি বিভিন্ন কামত ব্যৱহাৰ কৰা হয় ।

**৭। শিল বৰষুণ আৰু বৰষুণৰ মাজৰ পাৰ্থক্য লিখা।**

**উত্তৰঃ** শিল আৰু বৰষুণৰ পাৰ্থক্য হ'ল :-

বৰষুণৰ সৃষ্টি পানীৰ কণিকাবোৰ গোট খাই হয় । আৰু শিল বৰষুণৰ সৃষ্টি এই কণিকাবোৰ যেতিয়া অধিক ঠাণ্ডা বায়ুৰ মাজেৰে যায় , তেতিয়া হয় ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। পৃথিৱীৰ কিমান ভাগ পানীয়ে আগুৰি আছে ?**

**উত্তৰঃ** আমাৰ পৃথিৱীখন চাৰিভাগৰ প্ৰায় তিনিভাগেই পানীয়ে আগুৰি আছে ।

**২। জলাশয় কাক বোলে ?**

**উত্তৰঃ** পুখুৰী , পিতনি , বিল , হ্ৰদ , সাগৰ , মহাসাগৰ আদি পানীৰে পূৰ্ণ দ ' ঠাইবোৰক জলাশয় বোলে ।

**৩। বৰষুণৰ পানী ক'ত জমা থাকে ?**

**উত্তৰঃ** বৰষুণৰ পানী সাগৰ , খাল , বিল , নদী , পুখুৰী , হ্ৰদ আদিত জমা থাকে ।